*Total number of pages – 8*

**CODE : 35T MASS**

# 2025

# ASSAMESE

(MODERN INDIAN LANGUAGE)

**( NEW COURSE )**

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* ........................ | 1×7 = 7 |
| *Q. No. 2 carries 2 marks each* ...................... | 2×7 = 14 |
| *Q. No. 3 carries 4 marks each* ...................... | 4×1 = 4 |
| *Q. No. 4 carries 5 marks each* ...................... | 5×2 = 10 |
| *Q. No. 5 carries 1 mark each* ........................ | 1×5 = 5 |
| *Q. No. 6 carries 2 marks each* ...................... | 2×5 = 10 |
| *Q. No. 7 carries 4 marks each* ...................... | 4×1 = 4 |
| *Q. No. 8 carries 6 marks each* ...................... | 3×2 = 6 |
| *Q. No. 9 carries 1 mark each* ........................ | 1×2 = 2 |
| *Q. No. 10 carries 2 marks each* .................... | 2×2 = 4 |
| *Q. No. 11 carries 4 marks each* .................... | 4×1 = 4 |
| *Q. No. 12 carries 3 marks each* .................... | 3×2 = 6 |
| *Q. No. 13 carries 1 mark each* ...................... | 1×6 = 6 |
| *Q. No. 14 carries 2 marks each* .................... | 2×4 = 8 |
| *Q. No. 15 carries 10 marks each* ............... | 10×1 = 10 |
| | Total = 100 |

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৭=৭

(ক) লক্ষ্মীনাথ বেজবৰুৱা কোন চনত মাতৃভূমি অসমলৈ উভতি আহিছিল?

(খ) 'মৰমৰ সুৰ' কাব্যগ্ৰন্থৰ ৰচক কোন?

(গ) উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে সম্পাদনা কৰা চৰিত পুথিখনৰ নাম লিখাঁ।

(ঘ) 'গজধ্বজ' খিতাপেৰে কাক বিভূষিত কৰা হৈছিল?

(ঙ) "অন্নং ন নিন্দ্যাৎ, অন্নং বহুকুৰ্বীত তদ্ৰ্ৰতম্।" এই শ্লোকটি কোনখন উপনিষদত আছে?

(চ) শীলভদ্ৰই কোনখন উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰিছিল?

(ছ) কাৰ্বি ভাষাৰ প্ৰথম ছবিখনৰ নাম কি?

(জ) বসন্ত ৰোগ ঘাইকৈ কোনগৰাকী দেৱীৰ ৰোষত হোৱা বুলি মানুহে বিশ্বাস কৰিছিল?

(ঝ) দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা বিজ্ঞান বিষয়ক আলোচনীখনৰ নাম কি?

২। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৭=১৪

(ক) 'নকৰিলোঁ শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাপোট মোৰ ভৈল মহাভাৰ।।'
—উল্লিখিত পংক্তিটি ক'ৰপৰা উদ্ধৃত কৰা হৈছে? লেখক কোন?

(খ) কথা-কবিতাৰ দুটা বিশেষত্ব লিখাঁ।

(গ) মানুহৰ সাৰবস্তু কি? কাৰ মূৰ্তি পূজনীয়?

(ঘ) সংস্কৃত ভাষাত হাতীৰ বিষয়ে উল্লেখ থকা দুখন গ্ৰন্থৰ নাম লিখাঁ।

(ঙ) 'শ্ৰেয়ঃ' শব্দৰ অৰ্থ লিখাঁ। ইয়াৰ বিপৰীত শব্দটো কি?

(চ) চুটিগল্পৰ নামকৰণৰ মাজত জড়িত হৈ থকা দুটা বৈশিষ্ট্য লিখাঁ।



(ছ) 'পিয়লি ফুকন' ছবিখন কোনে পৰিচালনা কৰিছিল? ছবিখনে লাভ কৰা বঁটাটোৰ নাম কি?

(জ) জাহ্নু বৰুৱাই পৰিচালনা কৰা ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত দুখন অসমীয়া ছবিৰ নাম লিখাঁ।

(ঝ) পদাৰ্থ কণা-ত্বৰক কাক বোলে?

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ৪×১=৪

(ক) "কালৰ পীড়নত আজিৰ অসম জীৰ্ণ-শীৰ্ণ-দীৰ্ণ।"

(খ) "প্ৰকৃততে ত্যাগ আৰু বৈৰাগ্য এটা বিশেষ মনোধৰ্ম।"

(গ) "চিঠি এখনেই চিঠিৰ মূল্য।"

৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৫×২=১০

(ক) ডিবুৰুগড়ৰ অসমীয়া তিৰোতাসকলৰ গঢ়গতি আৰু কাৰ্যকলাপ দেখি বেজবৰুৱাৰ মনলৈ কেনে ভাব আহিছিল পাঠৰ আধাৰত লিখাঁ।

(খ) উপনিষদৰ যুগত শিক্ষা সাং কৰি গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰিবলৈ উলটিব খোজা বিদ্যাৰ্থীক গুৰুৱে কি উপদেশ দিছিল?

(গ) 'চিঠি' গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰাঁ।

(ঘ) অসমীয়া চলচ্চিত্ৰ শিল্পলৈ ভূপেন হাজৰিকাৰ অৱদান সম্পৰ্কে চমুকৈ লিখাঁ।

৫। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৫=৫

(ক) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোনখন গ্ৰন্থক কোৱা হয়?

(খ) 'বিশ্বখনিকৰ' কবিতাত কেনে চিন্তাধাৰা পোৱা যায়?

(গ) নলিনীবালা দেৱীৰ আত্মজীৱনীখনৰ নাম কি?

(ঘ) 'ৰূপান্তৰৰ বিপ্লৱ'ত কোনে বিশ্বাস কৰিছিল?

(ঙ) 'অভিযান' কাব্যগ্ৰন্থৰ ৰচক কোন?

(চ) 'আঘোণৰ কুঁৱলী' কবিতাটিত বৌদেৱেকে কাৰ কথা উল্লেখ কৰিছে?

(ছ) কবিৰ বাবে 'জীয়াৰ থকাৰ মন্ত্ৰ' কি?

(জ) 'কৰুণতম' কবিতাত কবিয়ে মাকক ক'ত হেৰাই পায়?

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৫=১০

(ক) যশোদাই মৰমতে কৃষ্ণক কি কি নামেৰে সম্বোধন কৰি টোপনিৰপৰা উঠিবলৈ কৈছে?

(খ) মাধৱদেৱে ৰচনা কৰা দুখন ঝুমুৰাৰ নাম লিখাঁ।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটি বৈশিষ্ট্য লিখাঁ।

(ঘ) কাঠমিস্ত্ৰীয়ে ব্যৱহাৰ কৰা দুবিধ সঁজুলিৰ নাম লিখাঁ।

(ঙ) 'আঘোণৰ কুঁৱলী' কোন শ্ৰেণীৰ কবিতা? জয়ন্তী-গোষ্ঠীৰ কবিসকল কেনে ভাবধাৰাৰ প্ৰতি আকৰ্ষিত হৈছিল?

(চ) 'ৰামধেনু' যুগৰ দুগৰাকী কবিৰ নাম লিখাঁ।

(ছ) 'কৰুণতম' কবিতাটিৰ প্ৰথম স্তৱকটি লিখাঁ।

৭। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ : *(যিকোনো এফাঁকি)* ৪×১=৪

(ক) কোনে কয় নেদেখি তোমাক
মৰতৰ মানৱ লোকত?
তুমি চিৰ গোপন দেশৰ
আছা মোৰ নিজান কোণত।



(খ) উঠা মিস্ত্ৰী, কঁহাৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ,
কাঠমিস্ত্ৰীৰ ঘৰ।

(গ) মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত??

৮। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ৩×২=৬

(ক) 'উঠ ৰে উঠ বাপু গোপাল হে...' বৰগীতটিৰ ৰাগ কি? বৰগীতটিৰ মাজেৰে মাতৃ যশোদা আৰু পুত্ৰ শ্ৰীকৃষ্ণৰ কেনে ৰূপ মাধৱদেৱে অংকন কৰিছে?

(খ) কবিয়ে 'বিশ্বখনিকৰ'ক কিয় সৰ্বব্যাপী সৰ্ব শক্তিমান বুলি আখ্যা দিছে?

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি? তেওঁ নিৰ্মাণ কৰা অসমীয়া কথাছবি দুখনৰ নাম লিখাঁ।

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ গৱেষণামূলক গ্ৰন্থ তিনিখনৰ নাম লিখাঁ।

৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ : ১×২=২

(ক) মূল্যবোধ মানুহে সামাজিক পৰিৱেশৰপৰা আয়ত্ত কৰে। কথাষাৰ সঁচা নে?

(খ) মানৱ জীৱনৰ মূল তিনিটা মূল্যবোধ কি?

(গ) সমাজ পৰিৱৰ্তনৰ এক শক্তিশালী মাধ্যম কি?

(ঘ) কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো কি?

১০। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×২=৪

(ক) ভাৰতীয় দৰ্শনে মূল্যবোধক কোন চাৰিটা শ্ৰেণীত বিভক্ত কৰিছে?

(খ) দিবাস্বপ্ন বুলিলে কি বুজা?

(গ) কৈশোৰ কালৰ সময়সীমা কি?

(ঘ) মাধ্যমিক স্তৰৰ শিক্ষাৰ দুটা প্ৰধান বিশেষত্বৰ প্ৰথমটো কি?

১১। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখিবাঁ ঃ ৪×১=৪

(ক) নৈতিক মূল্যবোধ সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) নন্দনতাত্ত্বিক মূল্যবোধে কি কি বিষয় সামৰি লয় চমুকৈ লিখাঁ।

(গ) "এই কালছোৱা অতি সংকটময় কাল অৰ্থাৎ ধুমুহা আৰু পীড়নৰ সময়।" — ব্যাখ্যা কৰাঁ।

১২। চমুকৈ লিখাঁ ঃ *(যিকোনো দুটা)* ৩×২=৬

(ক) তদ্ধিত প্ৰত্যয় কাক বোলে? চাৰিটা উদাহৰণ ভাঙি দেখুওৱাঁ।

(খ) কৰ্ম কাৰক কাক বোলে? কৰ্ম কাৰকত কি বিভক্তি যোগ হয়? এটি উদাহৰণ দিয়া।

(গ) ক্ৰিয়া বিভক্তি বুলিলে কি বুজা? নিত্য বৰ্তমান কালৰ প্ৰথম পুৰুষত ক্ৰিয়া বিভক্তিৰ চিন কি?

(ঘ) জতুৱা ঠাঁচ বুলিলে কি বুজা? দুটি উদাহৰণ দিয়াঁ।

১৩। তলৰ *যিকোনো ছটা* শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখাঁ ঃ ১×৬=৬

পতিয়ন, বান্ধন, নদীয়াল, ৰূপালী, লেখাৰু, নগৰীয়া, খেলুৱৈ, বাছনি, তেলেতীয়া



১৪। তলত দিয়া জতুৱা-ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰাঁ ঃ *(যিকোনো চাৰিটা)* ২×৪=৮

আকাশত চাং পতা, একাদশত বৃহস্পতি, জয়দেউ কাকূতি, নপতা ফুকন, বিৰ দি বাট নোপোৱা, ৰসতে নাম থোৱা, সাতাম পুৰুষীয়া, হাতত সাৰে ভৰিত সাৰে

১৫। তলৰ *যিকোনো এটি* বিষয় লৈ এখন ৰচনা লিখাঁ ঃ ১০

(ক) **নদীবান্ধ আৰু ইয়াৰ ইতিবাচক আৰু নেতিবাচক দিশ**

(আৰম্ভণি — নদীবান্ধ মানে কি? — তুমি দেখা বা শুনা অসমৰ নদীবান্ধ প্ৰকল্প — জল-বিদ্যুৎ উৎপাদন আৰু নদীবান্ধ — অন্যান্য ক্ষেত্ৰত নদীবান্ধৰ ইতিবাচক ভূমিকা — নেতিবাচক দিশ — সামৰণি।)

(খ) **ক্ষুদ্ৰ উদ্যোগ আৰু অসমৰ নিবনুৱা সমস্যা দূৰীকৰণত ইয়াৰ ভূমিকা**

(আৰম্ভণি — ক্ষুদ্ৰ উদ্যোগৰ শ্ৰেণীবিভাগ — কেঁচামাল আহৰণ — নিবনুৱা সমস্যা দূৰীকৰণত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা — সফলতা-বিফলতা — সামৰণি।)

(গ) **অসমীয়া ভাষাৰ স্বকীয়তা অক্ষুণ্ণ ৰখাত নৱ প্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য**

(আৰম্ভণি — অসমীয়া ভাষাৰ গৌৰৱময় ঐতিহ্য — ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ স্থান — বিশ্বায়নৰ প্ৰভাৱত সম্প্ৰতি অসমীয়া ভাষালৈ অহা অশনি সংকেত — তোমাৰ কৰণীয় — সামৰণি।)

(ঘ) **তোমাৰ প্ৰিয় গ্ৰন্থ**

(আৰম্ভণি — গ্ৰন্থ মানে কি? — তোমাৰ প্ৰিয় গ্ৰন্থখনৰ লেখকৰ পৰিচয় — বিষয়বস্তু — গ্ৰন্থখনৰ কোনটো দিশে তোমাক কিয় আৰু কেনেকৈ আকৰ্ষণ কৰে — অধ্যয়নৰপৰা আহৰণ কৰা মূল্যবোধ — সামৰণি।)

(ঙ) **কৃত্ৰিম বুদ্ধিমত্তা আৰু আমাৰ ভৱিষ্যৎ**

(আৰম্ভণি — কৃত্ৰিম বুদ্ধিমত্তা মানে কি? — কৃত্ৰিম বুদ্ধিমত্তাই আমাৰ কি কি কাৰ্য সম্পন্ন কৰিব পাৰে — ই মানৱ সমাজলৈ কঢ়িয়াই অনা ইতিবাচক আৰু নেতিবাচক দিশ — সামৰণি।)

———×———